# Telephonic Conversation between PM and Crown Prince of Abu Dhabi

March 26, 2020

## প্ৰধানমন্ত্ৰী আৰু আবু ধাবিৰ যুৱৰাজৰ মাজত টেলিফোন যোগে বাৰ্তালাপ

মাৰ্চ 26, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আবু ঢাবিৰ যুৱৰাজ মহমান্য শ্বেইখ মহম্মদ বিন জায়েদ অল নাহিয়ানৰ সৈতে টেলিফোন যোগে বাৰ্তালাপত মিলিত হয়।

দুয়োগৰাকী নেতাই বিশ্বজুৰি অব্যাহত থকা মহামাৰী ক'ভিড-১৯ সন্দৰ্ভত তথ্যৰ আদান প্ৰদান আৰু মত-বিনিময় কৰাৰ লগতে নিজৰ নিজৰ দেশৰ পৰিস্থিতি বৰ্ণনা কৰে। চৰকাৰে গ্ৰহণ কৰা প্ৰতিৰোধমূলক ব্যৱস্থাক লৈও তেওঁলোকে আলোচনা কৰে। নেতা দুগৰাকীয়ে সহমতত উপনীত হয় যে ভাইৰাছৰ সংক্ৰমণ ৰোধৰ ক্ষেত্ৰত পৰৱৰ্তী কেইটামান সপ্তাহ অত্যন্ত গুৰুত্বপূৰ্ণ হ'ব আৰু ইয়াৰ বাবে সকলো দেশৰ সমন্বয় অতীৱ প্ৰয়োজন হ'ব। এই প্ৰসংগত তেওঁলোকে মহামাৰীক লৈ আলোচনা কৰিবলৈ আজি দিনৰ ভাগত আয়োজিত জি-২০ নেতাসকলৰ ভাৰ্চুৱেল সন্মিলনৰ শলাগ লয়।

উভয় নেতাই দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী আৰু চহকী কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত জোৰ দিয়ে। বৰ্তমানৰ পৰিস্থিতিত যোগান শৃংখল অব্যাহত ৰাখিবলৈ তেওঁলোকে নিয়মীয়াকৈ আলাপ-আলোচনা কৰি থাকিবলৈ সন্মতি প্ৰকাশ কৰে।

মহামান্য যুৱৰাজে প্ৰধানমন্ত্ৰী মোদীক আশ্বাস দিয়ে যে ইউএইত বাস কৰি থকা আৰু তেওঁলোকৰ অৰ্থনীতিলৈ অভূতপূৰ্ব অৱদান আগবঢ়াই থকা প্ৰায় ২ মিলিয়ন ভাৰতীয় লোকৰ কল্যাণৰ বাবে ইউএই চৰকাৰ দায়বদ্ধ। সাম্প্ৰতিক পৰিস্থিতিত ইউএইত বাস কৰা ভাৰতীয় নাগৰিকৰ স্বাস্থ্য আৰু সুৰক্ষাৰ ক্ষেত্ৰত ক্ৰাউন প্ৰিন্সে গ্ৰহণ কৰা ভূমিকাৰ বাবে প্ৰধানমন্ত্ৰীয়ে তেওঁক ধন্যবাদ জ্ঞাপন কৰে।

প্ৰধানমন্ত্ৰীয়ে ৰাজকুমাৰ আৰু তেওঁলোকৰ ৰাজ পৰিয়ালৰ সকলো সদস্য তথা দেশখনৰ নাগৰিকৰ সুস্বাস্থ্য কামনা কৰে। ৰাজকুমাৰে প্ৰধানমন্ত্ৰীৰ এই শুভকামনা আন্তৰিকতাৰে গ্ৰহণ কৰে।

**নতুন দিল্লী**
**মাৰ্চ 26, 2020**

DISCLAIMER : This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.